# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 07-12-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। কেন্দ্ৰীয় মন্ত্ৰীসভাই ৫ হাজাৰ ৮৭২ কোটিৰো অধিক টকাৰে দেশত ৮৫ খন নতুন কেন্দ্ৰীয় বিদ্যালয় স্থাপনৰ প্ৰস্তাৱত অনুমোদন জনাইছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি সন্ধিয়া ভাৰ্চুৱেল ব্যৱস্থাৰে বোছাসন্ন্যাসী অক্ষৰ পুৰুষোত্তম স্বামী নাৰায়ণ সংস্থা BAPSৰ সোণালী জয়ন্তী সমাৰোহক সম্বোধন কৰিব।

৩। কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জে পি নাড্ডাই  আজি হাৰিয়ানাৰ পঞ্চকুলৰ পৰা ১০০ দিনীয়া যক্ষ্মা নিৰ্মূলকৰণ অভিযান আৰম্ভ কৰিব।

৪। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে ঘূৰ্ণীবতাহ ফেনজেলৰ দ্বাৰা প্ৰভাৱিত লোকসকলৰ সহায়ৰ বাবে ৰাজ্যিক দুৰ্যোগ সঁহাৰি পুঁজিৰ পৰা তামিলনাডুলৈ ৯৪৪ কোটি ৮০ লাখ টকাৰ মুকলি কৰি দিয়া প্ৰস্তাৱত অনুমোদন জনাইছে।

*আৰু*

৫। ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজত অনুষ্ঠিত বৰ্ডাৰ গাভাস্কাৰ ট্ৰফীৰ দ্বিতীয়খন টেষ্টত আজি অষ্ট্ৰেলিয়াই কালি এটা উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ৮৬ ৰানৰ পৰা প্ৰথম ইনিংছৰ খেল আৰম্ভ কৰিব।

০০০০০০০

কেন্দ্ৰীয় মন্ত্ৰীসভাই ৫ হাজাৰ ৮৭২ কোটিৰো অধিক টকাৰে দেশত ৮৫ খন নতুন কেন্দ্ৰীয় বিদ্যালয় স্থাপন আৰু কৰ্ণাটকৰ শিৱমোগগাৰ কেন্দ্ৰীয় বিদ্যালয়ৰ সম্প্ৰসাৰণৰ প্ৰস্তাৱত অনুমোদন জনাইছে। নতুন দিল্লীত কালি মন্ত্ৰীসভাৰ বৈঠকৰ অন্তত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে এই কথা সদৰী কৰে। তেওঁ কয়, যে নতুন কেন্দ্ৰীয় বিদ্যালয়ত স্থাপনৰ ফলত প্ৰায় ৮২ হাজাৰ ৫৬০ গৰাকী শিক্ষাৰ্থীয় বহনসাধ্য উচ্চমানৰ শিক্ষা লাভ কৰিবলৈ সমৰ্থ হ'ব আৰু ৫ হাজাৰ ৩৮৮টা নিয়মীয়া পদ সৃষ্টি হ'ব। দেশ-বিদেশত সম্প্ৰতি এহেজাৰ ২৫৬ খন কেন্দ্ৰীয় বিদ্যালয় কৰ্মক্ষম হৈ আছে। ইয়াৰ ভিতৰত মস্কো, কাঠমাণ্ডু আৰু টেহৰানৰ ৩ খন কেন্দ্ৰীয় বিদ্যালয় আছে। এই বিদ্যালয়সমূহত মুঠ ১৩ লাখ ৫৬ হাজাৰ শিক্ষাৰ্থী অধ্যয়নৰত হৈ আছে।

শ্ৰীবৈষ্ণৱে লগতে নৱোদয় বিদ্যালয় আঁচনিৰ অধীনত ইতিমধ্যে সামৰি নোলোৱা জিলাসমূহত ২৮ খন নতুন নৱোদয় বিদ্যালয় মুকলি কৰা কথা ঘোষণা কৰে। ইয়াৰ ফলত ১৫ হাজাৰ ৬৮০ গৰাকীৰো অধিক শিক্ষাৰ্থী লাভান্বিত হ'ব আৰু এহেজাৰ ৩১৬টা নিয়মীয়া পদ সৃষ্টি হ'ব। এই নৱোদয়  বিদ্যালয় কেইখন স্থাপন কৰাৰ বাবে আনুমানিক দুহেজাৰ ৩৫৯ কোটি ৮২ লাখ টকাৰ প্ৰয়োজন হ'ব। দেশত বৰ্তমান ৬৬১ খন অনুমোদিত নৱোদয় বিদ্যালয় আছে

আৰু ইয়াৰ ভিতৰত ৬৫৩ খন কাৰ্যক্ষম হৈ আছে। তেওঁ কয়, যে সকলো কেন্দ্ৰীয় বিদ্যালয় আৰু নৱোদয় বিদ্যালয় প্ৰধানমন্ত্ৰী শ্ৰীবিদ্যালয় হিচাপে নামকৰণ কৰা হৈছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰ্চুৱেল ব্যৱস্থাৰে আজি সন্ধিয়া বোছাসন্ন্যাসী অক্ষৰ পুৰুষোত্তম স্বামী নাৰায়ণ সংস্থা BAPSৰ সোণালী জয়ন্তী সমাৰোহক সম্বোধন কৰিব। আমাৰ সংবাদদাতাই জনোৱা মতে, এই সংস্থাৰ স্বেচ্ছাসেৱকসকলে আগবঢ়াই অহা সেৱাৰ প্ৰতি সন্মান জনাই মহন্ত স্বামী মহাৰাজে যোৱা ২৮ জানুৱাৰীত এই বছৰজোৰা মহোৎসৱ মুকলি কৰিছিল। আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত আজি এই মহোৎসৱৰ সামৰণি পৰিব। মহোৎসৱত বিশ্বৰ বিভিন্ন প্ৰান্তৰ ৩০ খন দেশৰ ১ লাখতকৈ অধিক প্ৰতিনিধিয়ে ভাগ ল'ব। অনুষ্ঠানত গুজৰাটৰ মুখ্যমন্ত্ৰী ভূপেন্দ্ৰ পাটেলৰ লগতে কেন্দ্ৰীয় মন্ত্ৰী আৰু ৰাজ্য চৰকাৰৰ কেইবাগৰাকীও মন্ত্ৰী উপস্থিত থাকিব।

ooooo

কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহ দিনজোৰা ভ্ৰমণসূচীৰে আজি গুজৰাটলৈ যাব। তাত তেওঁ আহমেদাবাদৰ গ্ল'বেল হাস্পতাল মুকলি কৰিব আৰু গুজৰাট লোকসেৱা ন্যাসৰ বাৰ্ষিক মহোৎসৱত ভাগ ল'ব। বিয়লিৰ ভাগলৈ শ্ৰীশ্বাহে BAPS অক্ষৰধামৰ সোণালী জয়ন্তী মহোৎৱত অংশ ল'ব।

ooooo

কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জে পি নাড্ডাই যক্ষ্মা ৰোগ আৰু ইয়াৰ ফলত হোৱা মৃত্যু ৰোধ কৰাৰ উদ্দেশ্যে আজি হাৰিয়ানাৰ পঞ্চকুলাৰ পৰা ১০০ দিনীয়া যক্ষ্মা নিৰ্মূলকৰণ অভিযান আৰম্ভ কৰিব। হাৰিয়ানাৰ মুখ্যমন্ত্ৰী নায়ব সিং আৰু স্বাস্থ্যমন্ত্ৰী আৰতি সিং ৰাও এই অনুষ্ঠানত উপস্থিত থাকিব। দেশৰ ৩৩ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৩৪৭ খন জিলাত এই অভিযান ৰূপায়ণ কৰা হ'ব। অভিযানৰ সময়ছোৱাত যক্ষ্মা ৰোগৰ চিনাক্তকৰণ, চিকিৎসাত হোৱা বিলম্ব হ্ৰাস কৰা আৰু বিশেষকৈ অধিক বিপদৰ আশংকা থকা ব্যক্তিৰ চিকিৎসাত গুৰুত্ব আৰোপ কৰা হ'ব।

ooooo

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ চাৰিশ ১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, ডি আৰ এম ফ্ৰিকুৱেঞ্চি এহেজাৰ ২৬ কিলোহাৰ্ট্জ, এফ এম বেণ্ডৰ ১০০ দশমিক ৮ আৰু ১০১ দশমিক ৬ মেগাহাৰ্ট্জৰ লগতে **ফে'চবুক পেজ-এয়াৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিংতো** শুনিবলৈ পাইছে। এই বাতৰি আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

oooooo

উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড় আজি বিহাৰলৈ যাব। তেওঁ পূৰ চম্পাৰণ জিলাৰ মোতিহাৰীৰ মহাত্মা গান্ধী কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ দ্বিতীয় সমাৱৰ্তন সমাৰোহত ভাগ ল'ব। গান্ধী প্ৰেক্ষাগৃহত আয়োজিত এই অনুষ্ঠানত উপ ৰাষ্ট্ৰপতিগৰাকীয়ে শিক্ষাৰ্থীসকলক ডিগ্ৰী আৰু পদক প্ৰদান কৰিব। মহাত্মা গান্ধী কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য

প্ৰফেচাৰ সঞ্জয় শ্ৰীবাস্তৱে প্ৰকাশ কৰা মতে, সমাৱৰ্তন অনুষ্ঠানত মুঠ ৪৩৩ গৰাকী শিক্ষাৰ্থীয়ে ডিগ্ৰী লাভ কৰিব। উপ ৰাষ্ট্ৰপতিৰ ভ্ৰমণলৈ চাই মোতিহাৰীত ব্যাপক সুৰক্ষা ব্যৱস্থা কৰা হৈছে।

ooooo

বিদেশ পৰিক্ৰমা মন্ত্ৰী ডঃ এছ্ জয়শংকৰ দোহা মঞ্চত ভাগ লোৱাৰ উদ্দেশ্যে আজি কাটাৰলৈ যাব। দোহা মঞ্চৰ ২২ সংখ্যক সংস্কৰণৰ বিষয়বস্তু হৈছে **উদ্ভাৱন অনিবাৰ্য**। বিদেশমন্ত্ৰীগৰাকীয়ে কাইলৈ বাহৰেইনত হ'বলগীয়া চতুৰ্থ ভাৰত-বাহৰেইন উচ্চ যুটীয়া আয়োগৰ বৈঠকত দেশখনৰ বিদেশমন্ত্ৰী ডঃ আব্দুল্লা টিফ বিন ৰচিদ অল জয়ানীৰ সৈতে সহ অধ্যক্ষতা কৰিব। এই মন্ত্ৰী পৰ্যায়ৰ বৈঠকত ভাৰত আৰু বাহৰেইনৰ মাজত বিভিন্ন দ্বিপাক্ষিক সম্বন্ধক অধিক শক্তিশালী কৰাৰ বিষয় সন্দৰ্ভত পৰ্যালোচনা কৰা হ'ব। ডঃ জয়শংকৰে কাইলৈ বাহৰেইনত IISS মানামা আলোচনাতো ভাগ ল'ব।

ooooo

কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে ঘূৰ্ণীবতাহ ফেনজেলৰ দ্বাৰা প্ৰভাৱিত লোকসকলৰ সহায়ৰ বাবে ৰাজ্যিক দুৰ্যোগ সঁহাৰি পুঁজিৰ পৰা তামিলনাডুলৈ ৯৪৪ কোটি ৮০ লাখ টকা মুকলি কৰি দিয়া প্ৰস্তাৱত অনুমোদন জনাইছে। মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে আন্তঃমন্ত্ৰী পৰ্যায়ৰ কেন্দ্ৰীয় দলৰ মূল্যায়ন প্ৰতিবেদন লাভ কৰাৰ পিছতে ফেনজেল প্ৰভাৱিত ৰাজ্যসমূহৰ বাবে ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি পুঁজিৰ পৰা অতিৰিক্ত সাহায্য মুকলি কৰা হ'ব। ঘূৰ্ণী বতাহৰ ফলত হোৱা ক্ষয়-ক্ষতিৰ মূল্যায়নৰ বাবে তামিলনাডু আৰু পুডুচেৰীলৈ কেন্দ্ৰীয় দল প্ৰেৰণ কৰা হৈছে। সামাজিক মাধ্যমত দিয়া পোষ্টত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কৈছে, যে ঘূৰ্ণী বতাহ ফেনজেলৰ ফলত তামিলনাডুত সৃষ্টি হোৱা প্ৰত্যাহ্বানমূলক পৰিস্থিতিৰ সময়ত মোদী চৰকাৰে ৰাজ্যখনৰ জনসাধাৰণক সকলো ধৰণৰ সহায় আগবঢ়াইছে।

ooooo

চিৰিয়াত শেহতীয়াকৈ সংঘটিত সিংহাত্মক পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি পৰৱৰ্তী অধিসূচনা জাৰি নকৰালৈকে ভাৰতীয় নাগৰিকসকলক ৰাষ্ট্ৰখনলৈ সকলো ভ্ৰমণৰ পৰা আঁতৰি থাকিবলৈ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে পৰামৰ্শ দিছে। মন্ত্ৰালয়ে লগতে বৰ্তমান ছিৰিয়াত থকা ভাৰতীয়সকলক ডামাস্কাছত থকা ভাৰতীয় দূতাবাসৰ সৈতে যোগাযোগ কৰিবলৈ আহ্বান জনাইছে। যোগাযোগৰ বাবে দূতাবাসৰ জৰুৰীকালীন হেল্পলাইন নম্বৰ হৈছে ৯৬৩ ৯৯৩৩৮৫৯৭৩।

যিসকল ভাৰতীয় নাগৰিকৰ বাবে সম্ভৱ হয়, তেওঁলোকক আগতীয়াকৈ উপলব্ধ বাণিজ্যিক বিমানেৰে দেশ এৰিবলৈ পৰামৰ্শ দিয়া হৈছে। আনহাতে, হঠাতে দেশ এৰিব নোৱাৰাসকলক সাৱধানতা অৱলম্বন কৰি চলাচল সীমিত কৰিবলৈ বিদেশ মন্ত্ৰালয়ে অনুৰোধ জনাইছে।

ooooo

ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজত অনুষ্ঠিত বৰ্ডাৰ-গাভাস্কাৰ ট্ৰফীৰ দ্বিতীয়খন টেষ্টত আজি অষ্ট্ৰেলিয়াই কালি এটা উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ৪6 ৰাণৰ পৰা প্ৰথম ইনিংছৰ খেল আৰম্ভ কৰিব। এডিলেইড অ'ভেলত অনুষ্ঠিত হৈ থকা খেলখন আজি পুৱা ৯:৩০ বজাৰপৰা আৰম্ভ হ'ব। কালি

খেল শেষ  হোৱাৰ সময়ত নাথান মেকছুইনী আৰু মাৰ্নাছ লাবুশ্বেন ক্ৰীজত আছিল। আয়োজক দল অষ্ট্ৰেলিয়া এতিয়াও ভাৰতৰ প্ৰথম ইনিংছতকৈ ৯৪ ৰান পিছ পৰি আছে।

ইয়াৰ পূৰ্বে ভাৰতীয় অধিনায়ক ৰোহিত শৰ্মাই টছত জয়ী হৈ বেটিং কৰাৰ সিদ্ধান্ত লৈছিল। কিন্তু  ১৮০ ৰাণতে আটাইকেইটা উইকেট হেৰুৱাই ভাৰতে প্ৰথম ইনিংছ সামৰে। ভাৰতৰ হৈ নিতীশ কুমাৰ ৰেড্ডীয়ে সৰ্বাধিক ৪২ ৰান সংগ্ৰহ কৰে। উল্লেখযোগ্য যে ভাৰতে পাৰ্থত অষ্ট্ৰেলিয়াক ২৯৫ ৰাণত পৰাস্ত কৰি শৃংখলাত 1-0 ৰ অগ্ৰগতি লাভ কৰিছে।

০০০০০

ভাৰতৰ উদীয়মান খেলুৱৈ অনমোল খৰবে তীব্ৰ চাপৰ মাজতো ধৈৰ্য প্ৰদৰ্শন কৰি কালি গুৱাহাটী মাষ্টাৰ্ছ 2024 বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ কোৱাৰ্টাৰ ফাইনেলত যোৱাবাৰৰ চেম্পিয়নৰ থাইলেণ্ডৰ লালিনৰত চাইৱানক পৰাভূত কৰে। অনমোলে দ্বিতীয় গেমত ১১-১৬, ১৬-২০ ফলাফলৰ পৰা প্ৰত্যাৱৰ্তন কৰি দুটাকৈ মেছ পইণ্ট অৰ্জন কৰে যদিও পৰাভূত হয়। বিশ্বৰ ৯৯ সংখ্যক স্থানৰ ভাৰতীয় খেলুৱৈগৰাকী নিৰ্ণায়ক গেমতো দুবাৰকৈ অনুৰূপ পৰিস্থিতিৰ সন্মুখীন হয়। অৱশ্যে অনমোলে এই সুযোগক ২১-১৩, ২২-২৪, ২২-২০ ফলাফলেৰে জয়লৈ পৰিৱৰ্তন কৰে। অনমোল খৰব ছেমি ফাইনেলত ভাৰতৰে আন এগৰাকী খেলুৱৈ মানসী সিঙৰ সন্মুখীন হ'ব। মানসীয়ে কোৱাৰ্টাৰ ফাইনেলত থাইলেণ্ডৰ য়াতাৱিমিন কতেক্লিএঙক ২২-২০, ২১-১৮ গেমত পৰাভূত কৰে। এইচ বি ডব্লিউ এফ ছুপাৰ হাণ্ড্ৰেড বেডমিণ্টন প্ৰতিযোগিতাৰ ছেমি ফাইনেলত প্ৰৱেশ কৰা অন্য ভাৰতীয় খেলুৱৈসকলৰ ভিতৰত পুৰুষৰ ছিংগলছত সতীশ কৰুণাকৰণ আৰু মিক্সড ডাবলছত ধ্ৰুৱ কপিলা আৰু তনিশা ক্ৰাষ্টো আছে।

০০০০০

**সমাপ্ত**